**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***----------------------***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত।

২। ৰাজ্যৰ পৰা মাদক দ্ৰব্য সৰবৰাহ আৰু যুৱ প্ৰজন্মৰ মাজত মাদক দ্ৰব্যৰ প্ৰতি আসক্তি হ্ৰাস কৰাৰ বাবে ৰাজ্য চৰকাৰৰ বিশেষ ব্যৱস্থা গ্ৰহণ।

৩। গুৱাহাটীত থকা উত্তৰ-পূব সামুদ্ৰিক দক্ষতা বিকাশ কেন্দ্ৰ পৰিদৰ্শন কৰি যুৱ প্ৰজন্মক সামুদ্ৰিক খণ্ডত পাৰদৰ্শি কৰি তোলাৰ বাবে সু-প্ৰশিক্ষণৰ যাৱতীয় ব্যৱস্থা তীব্ৰতৰ কৰি তুলিবলৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্দেশ।

৪। দক্ষিণ আফ্ৰিকাক ৭ ৰানত পৰাস্ত কৰি ১৭ বছৰৰ পাছত দ্বিতীয়বাৰৰ বাবে আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতৰ খিতাপ দখল।*আৰু*

৫। ভাৰতৰ মালবিকা বন্স'ড়েৰ ইউ এছ্ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড। আনহাতে শ্ৰীমোদীয়ে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হ'ব মন কী বাতৰ প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটোৰ ঠিক পাছতে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৈছে যে, অসম চৰকাৰে ৰাজ্যখনক মাদক দ্ৰব্য মুক্ত কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰু বিগত সময়ছোৱাত অসম আৰক্ষীৰ সহযোগত ৰাজ্যখনে এই ক্ষেত্ৰত যথেষ্ট সফলতা লাভ কৰিছে। ড০ শৰ্মাই কালি এই বিষয়ে প্ৰকাশ কৰি কয় যে, ৰাজ্য চৰকাৰে অসম আৰক্ষী আৰু বিভিন্ন স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত ৰাজ্যৰ পৰা মাদক দ্ৰব্য সৰবৰাহ আৰু যুৱ প্ৰজন্মৰ মাজত মাদক দ্ৰব্যৰ প্ৰতি আসক্তি হ্ৰাস

কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা মতে অসমত ২০২৩-২৪ বৰ্ষত ৭ হাজাৰ ২৭৪ গৰাকী এইচ আই ভি পজিটিভ লোক চিনাক্ত হৈছে। আনহাতে চিনাক্ত হোৱা লোকসকলৰ ভিতৰত বেজীৰে মাদক দ্ৰব্য গ্ৰহণ কৰা লোক প্ৰায় ৬৫ শতাংশ বুলি প্ৰকাশ কৰা হৈছে। ড০ শৰ্মাই মাদক দ্ৰব্য গ্ৰহণৰ ফলতে মুঠ এইচ আই ভি পজিটিভ চিনাক্ত লোকৰ ৬৫ শতাংশ আক্ৰান্ত হোৱাটো অতি উদ্বেগজনক বুলি মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে যোৱা বছৰত সৰ্বভাৰতীয় পৰ্যায়ত এইচ আই ভিত আক্ৰান্ত হৈ ৩৫ হাজাৰ ৮৬৬ জন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে অসমত ৩৩৭ জন লোকৰ এই ৰোগত মৃত্যু হৈছিল।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি গুৱাহাটীত থকা উত্তৰ-পূব সামুদ্ৰিক দক্ষতা বিকাশ কেন্দ্ৰ পৰিদৰ্শন কৰে। শ্ৰীসোণোৱালে সংশ্লিষ্ট বিষয়াসকলৰ লগতে ভাৰতীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ, অসম প্ৰান্তৰ বিষয়াসকলৰ সৈতে এখন বৈঠকতো মিলিত হয়। উত্তৰ-পূব অঞ্চলৰ যুৱ প্ৰজন্মই যাতে সু-প্ৰশিক্ষণৰ জৰিয়তে সামুদ্ৰিক খণ্ডত পাৰদৰ্শিতা দাঙি ধৰিব পাৰে তাৰ বাবে যাৱতীয় ব্যৱস্থা তীব্ৰতৰ কৰি তুলিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জলপথ খণ্ডৰ শেহতীয়া কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱাবছৰ গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো সামুদ্ৰিক দক্ষতা বিকাশ কেন্দ্ৰ মুকলি কৰে।

০০০০০০

দেশত কাইলৈ প্ৰৱৰ্তন হ'বলগীয়া তিনিখন নতুন ফৌজদাৰী আইন সন্দৰ্ভত আজি গুৱাহাটী প্ৰেছ ক্লাবত এখন কৰ্মশালাৰ আয়োজন কৰা হৈছে। এই কৰ্মশালাত অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তা আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অংশুমান বৰা উপস্থিত থাকিব। অনুষ্ঠানটো দিনৰ চাৰে ১১ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে দেশৰ জনসাধাৰণক ন্যায় প্ৰদানৰ লগতে নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে কাইলৈৰ পৰা দেশত তিনিখন নতুন আইন বলবৎ হ'ব। ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম শীৰ্ষক এই আইন কেইখনে ন্যায় প্ৰদান আৰু সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়াত কেতবোৰ নতুনত্বৰ সঞ্চাৰ কৰি সমগ্ৰ প্ৰক্ৰিয়াটো পূৰ্বতকৈ সূচল কৰি তুলিব বুলি আশা কৰা হৈছে।

০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি প্ৰায় সুস্থিৰ হৈছে যদিও ৫খন জিলাৰ ৩৮৩ খন গাঁৱৰ ৪১ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। ১২৯টা আশ্ৰয় শিবিৰত ১৪ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ইয়াৰ ভিতৰত কৰিমগঞ্জ জিলাত স্থাপন কৰা সৰ্বাধিক ১০৩টা আশ্ৰয় শিবিৰত ১৩ হাজাৰৰো অধিক লোক আশ্ৰয় লৈ আছে। কৰিমগঞ্জৰ উপৰি কামৰূপ, ধেমাজি, কাছাৰ আৰু বৰপেটা জিলাত বিভিন্ন অঞ্চল প্লাবিত হৈ আছে। এই বানত প্ৰায় ৮৫ হাজাৰ পশুধনৰ ক্ষতি হৈছে।

তিনিচুকীয়া জিলাত বিগত কেইবাদিনো ধৰি ধাৰাসাৰ বৰষুণৰ ফলত নৈ-উপ নৈ সমূহৰ জলস্তৰ বৃদ্ধি পাইছে। ডিব্ৰু নৈৰ বাঢ়নী পানীয়ে জিলাখনৰ কেইবাটাও অঞ্চল প্লাবিত কৰিছে। ইফালে ব্ৰহ্মপুত্ৰ আৰু ন-দিহিং নৈৰ পানী বাঢ়ি অহাৰ ফলত বহু অঞ্চলত খহনীয়াৰ সমস্যা দেখা দিছে। জিলাখনৰ গুইজানৰ সমীপৰ নতুন গাঁও বাঢ়নী পানীৰে বুৰাই পেলোৱা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। ইফালে ধাৰাসাৰ বৰষুণ আৰু বাঢ়নী পানীৰ মাজতে ওদালগুৰি জিলাত বনৰীয়া হাতীৰ উপদ্ৰৱে জনসাধাৰণক আহুকালত পেলাইছে। বানৰ সমান্তৰালকৈ

ৰাজ্যৰ বিভিন্ন ঠাইত খহনীয়াৰ সমস্যাই ভাবুকিৰ সৃষ্টি কৰিছে। গোলাঘাট জিলাৰ খুমটাইত গেলাবিল নৈৰ খহনীয়াই জনজীৱন বিপৰ্যস্ত কৰি তুলিছে। অঞ্চলটোৰ কেইবাশ বিঘা ভূমি গেলাবিল নৈৰ বুকুত জাহ গৈছে। একেদৰে ডিব্ৰুগড় জিলাৰ দুলীয়াজানৰ বামুণগাঁৱৰ বুঢ়ীদিহিং নৈৰ খহনীয়াই ব্যাপক সমস্যাৰ সৃষ্টি কৰিছে। গাঁওখনৰ কেইবাহাজাৰ বিঘা কৃষিভূমি আৰু অনুষ্ঠান-প্ৰতিষ্ঠান নৈত জাহ যোৱাৰ লগতে শেহতীয়াকৈ গাঁওখনৰ এটা পথৰ বৃহৎ অংশ নৈত জাহ গৈছে। ইফালে নগাঁও জিলাৰ কামপুৰত হোৱা বানৰ ফলত কেইবাটাও পকীপথ খহি যোৱাত জনসাধাৰণে যাতায়তৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে। পথটো মেৰামতিৰ বাবে স্থানীয় ৰাইজে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

০০০০০০

ডিব্ৰুগড় চহৰত কৃত্ৰিম বানৰ পৰিস্থিতি এতিয়াও অপৰিৱৰ্তিত হৈ আছে। ডিব্ৰুগড় পৌৰ নিগমৰ ২২ টা ৱাৰ্ডতে কৃত্ৰিম বানে শোচনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছে। চহৰখনৰ মূল ৰাজপথকে ধৰি বিস্তীৰ্ণ অঞ্চল জলমগ্ন হৈছে। বিগত তিনি দিন ধৰি ডিব্ৰুগড় চহৰবাসী জলবন্দী হৈ আছে। ইফালে চহৰৰ মাজমজিয়াত অৱস্থিত আৰক্ষী চাউনীত কৃত্ৰিম বানে অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছে। চাউনীৰ  দুই শতাধিক বাসগৃহ বানত বুৰ যোৱাৰ বাবে বিদ্যুৎ সংযোগ কৰ্তন কৰি দিয়া হৈছে। বহু পৰিয়ালে আবাস গৃহ এৰি ভাৰা ঘৰত আশ্ৰয় লৈছে। খোৱা পানীৰ অভাৱত পৰা আবাসিসকলে আহ-যাহ কৰিবলৈ নাৱৰ ব্যৱহাৰ কৰিবলগীয়া হৈছে। এই ৱাৰ্ডসমূহৰ উপৰি ৩৭ নম্বৰ ঘাইপথ, গ্ৰাহাম বজাৰ আৰু বাণীপুৰ কনভয় ৰোডৰ লগতে চহৰখনৰ জালুকপাৰা পথ, জে'ল ৰোড, পি এন ৰোড, লোহাৰপট্টী, বি চি দাস পথ, কে চি গগৈ পথ, নতুন নিৰ্মালী গাঁও, লাচিত নগৰ আদিত কৃত্ৰিম বানে বিপজ্জনক পৰিস্থিতিৰ সৃষ্টি কৰিছে।

০০০০০০

উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান তথা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই কালি চৰাইদেউ জিলাৰ মথুৰাপুৰ চাহ বাগিচাত এটা ভ্ৰাম্যমাণ কেঁচা চাহপাত পৰীক্ষাগাৰ উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত ৰাজহুৱা সভাত মন্ত্ৰীগৰাকীয়ে আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ চাহৰ সমাদৰ বৰ্তাই ৰখাৰ স্বাৰ্থত ইয়াৰ গুণগত মানৰ নিৰন্তৰ উন্নয়ন সাধনত মনোনিৱেশ কৰিবলৈ চাহ উৎপাদনৰে জড়িত সকলো পক্ষকে আহ্বান জনায়। বিভাগীয় মন্ত্ৰীগৰাকীয়ে কয় যে, চাহ অসমৰ অতি পুৰণি ঐতিহ্যমণ্ডিত শিল্প। অসমৰ চাহে বিশ্বত এক মৰ্যাদাপূৰ্ণ স্থান লাভ কৰি সুকীয়া বজাৰ দখল কৰি আহিছে। অৱশ্যে বহু সময়ত অত্যধিক মাত্ৰাত তথা নিষিদ্ধ ৰাসায়নিক সাৰ প্ৰয়োগ কৰা কথাটোৱে অসমৰ চাহৰ গুণগতমানক লৈ বিদেশত প্ৰশ্ন আৰু সন্দেহৰ অৱতাৰণা কৰিছে আৰু ই এটা দুৰ্ভাগ্যজনক পৰিস্থিতি। শেহতীয়াকৈ বটলিফ চাহ উৎপাদনক সংস্থাৰ পৰীক্ষণত ৰাজ্যৰ চাহপাতত ৯৯ শতাংশ কীটনাশক দ্ৰব্যৰ উপস্থিতি ধৰা পৰিছে বুলি দোহাৰি মন্ত্ৰীগৰাকীয়ে কয় যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ মাৰ্গ দৰ্শনত উক্ত চাহ খেতিয়ক পৰিষদ, বটলিফ চাহ উৎপাদক সংস্থাকে ধৰি বিভিন্ন পক্ষৰ সৈতে মত বিনিময়ৰ জৰিয়তে  উৎপাদিত চাহৰ গুণাগুণ পৰীক্ষাৰ পোষকতা কৰা হয়। অনুষ্ঠানত চৰাইদেউৰ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে কয় যে, জিলাখনত কেঁচা চাহপাত পৰীক্ষাগাৰ উদ্বোধন হোৱাটো সমগ্ৰ জিলাবাসীৰ বাবে গৌৰবৰ বতৰা। কালিৰ এই অনুষ্ঠানত ক্ষুদ্ৰ চাহ খেতিয়ক পৰিষদৰ কেন্দ্ৰীয় সভাপতি নাৰায়ণ লাহন, বটলিফ চাহ উৎপাদক সংস্থাৰ সম্পাদক বিশ্বজিৎ চেতিয়া প্ৰমুখ্যে জিলাখনৰ ভালেসংখ্যক কৰ্তৃপক্ষ, ক্ষুদ্ৰ চাহ খেতিয়ক, বিভাগীয় বিষয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০০০০

চলিত যোৰহাট জিলা দিৱসৰ লগত সংগতি ৰাখি কালি যোৰহাট জিলা আয়ুক্তৰ নেতৃত্বত আৰু শিক্ষা বিভাগৰ সহযোগত জিলাখনৰ অন্তৰ্গত প্ৰতিখন বিদ্যালয়তে গ্ৰন্থদান অভিযান চলোৱা হয়। বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আদিয়ে বিদ্যালয়ৰ পুথিভঁৰালসমূহলৈ গ্ৰন্থদান কৰে। উল্লেখযোগ্য যে, জিলাখনৰ পাঁচটা শিক্ষা খণ্ডৰ এহেজাৰ ২২৯ খন বিদ্যালয়ত কালিৰ দিনটোত প্ৰায় এক লাখ ১৭ হাজাৰ ৭৬৩ খন গ্ৰন্থ সংগ্ৰহ কৰা হয়। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ মাজত কিতাপ পঢ়াৰ প্ৰতি ধাউতি বঢ়োৱাৰ উদ্দেশ্যেৰে জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে কালি ১৫০ নম্বৰ লহপহীয়া প্ৰাথমিক বিদ্যালয়ৰ দুগৰাকী ছাত্ৰীৰ ঘৰত দুটি পুথিভঁৰাৰ উন্মোচন কৰে।

০০০০০০

ভাৰতীয় সেনাৰ শ্বিলঙৰ নিযুক্তি কাৰ্যালয়ে মধ্য অসমৰ ৪খন জিলা শোণিতপুৰ, বিশ্বনাথ, নগাঁও আৰু মৰিগাঁৱৰ বাবে অহা ২৩ জুলাইৰ পৰা ২৭ জুলাইলৈ শোণিতপুৰৰ ষ্টেডিয়ামত অগ্নিবীৰ প্ৰাৰ্থীৰ নিযুক্তি সমাবেশৰ আয়োজন কৰিছে। মিছামাৰীৰ সেনা ছাউনীৰ যশৱন্ত ষ্টেডিয়ামত এই সমাবেশ অনুষ্ঠিত হ'ব। চলিত বৰ্ষৰ যোৱা এপ্ৰিল মাহৰ পৰা মে' মাহলৈ সাধাৰণ প্ৰৱেশ পৰীক্ষাত নিৰ্বাচিত হোৱা পৰীক্ষাৰ্থীয়ে এই সমাবেশত অংশ ল'ব পাৰিব। প্ৰাৰ্থীসকলে ফলাফল তথা অন্যান্য গুৰুত্বপূৰ্ণ তথ্যৰ বাবে ভাৰতীয় সেনাৰ অফিচিয়েল ৱেবছাইট WWW.JOININDIANARMY.NIC.INত লগইন কৰিব পাৰিব।

০০০০০০

ভাৰতে যোৱানিশা দক্ষিণ আফ্ৰিকাক ৭ ৰানত পৰাস্ত কৰি ১৭ বছৰৰ পাছত দ্বিতীয়বাৰৰ বাবে আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰে। ভাৰতে কিংষ্টন অভেলত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ বিৰাট কোহলিৰ ৭৬ আৰু অক্সৰ পেটেলৰ ৪৭ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৭৬ ৰান কৰে। আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ইতিহাসত এয়া হৈছে ফাইনেলত কোনো দলে সংগ্ৰহ কৰা সৰ্বাধিক স্ক'ৰ। দক্ষিণ আফ্ৰিকাৰ হৈ এনৰিক ন'ৰ্টজে আৰু কেশৱ মহাৰাজে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৬৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। দক্ষিণ আফ্ৰিকাৰ হৈ হেনৰিক ক্লাছেনে সৰ্বাধিক ৫২ ৰান কৰে। ভাৰতৰ হাৰ্দিক পাণ্ডিয়াই তিনিটা উইকেট দখল কৰাৰ বিপৰীতে যশপ্ৰীত বুমৰাহ আৰু অশদীপ সিঙে দুটাকৈ উইকেট লাভ কৰে। বিৰাট কোহলিক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে আৰু প্ৰতিযোগিতাত ৮ খন খেলত ১৫টা উইকেট লাভ কৰা যশপ্ৰীত বুমৰাহক প্লেয়াৰ অব্ দ্যা টুৰ্ণামেণ্ট হিচাপে ঘোষণা কৰা হয়। ভাৰতে ইয়াৰ পূৰ্বে ২০০৭ চনত টি-টুৱেণ্টি বিশ্বকাপৰ খিতাপ লাভ কৰিছিল। কালিৰ খেলখনত জয়লাভ কৰাৰ পাছতেই বিৰাট কোহলি আৰু ৰোহিত শৰ্মাই টি-টুৱেণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ কথা ঘোষণা কৰে।

ৰাষ্ট্ৰপতি, উপ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে টি-টুৱেণ্টি বিশ্বকাপৰ খিতাপ অৰ্জন কৰাৰ বাবে ভাৰতীয় দলক অভিনন্দন জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যম যোগে কৈছে যে, হাৰ নমনাৰ মানসিকতাৰে ভাৰতীয় দলে কঠিন পৰিস্থিতি অতিক্ৰম কৰি প্ৰতিযোগিতাত অসাধাৰণ দক্ষতা প্ৰদৰ্শন কৰিছে। তেওঁ কয় যে, ভাৰতীয় দলক লৈ সমগ্ৰ দেশ গৌৰৱান্বিত।

আনহাতে, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে, টি-টুৱেণ্টি বিশ্বকাপৰ ফাইনেলত ভাৰতৰ আকৰ্ষণীয় জয়ত সমগ্ৰ দেশ উৎফুল্লিত হৈ পৰিছে। প্ৰতিযোগিতাত ভাৰতীয় দলৰ আকৰ্ষণীয় প্ৰদৰ্শন খেলুৱৈসকলৰ নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ প্ৰমাণ বুলি উপ ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ বাৰ্তাত কয় যে, ভাৰতীয় ক্ৰিকেট দলক লৈ দেশ গৌৰৱান্বিত। তেওঁ কালিৰ ফাইনেল খেলখনক ঐতিহাসিক বুলি অভিহিত কৰে।

oooooo

ভাৰতৰ মালবিকা বন্স'ড়ে টেক্সাছত অনুষ্ঠিত ইউ এছ্ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। বিশ্বৰ ৪৯ নম্বৰ স্থানৰ মালবিকাই কালি কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ ২২ নম্বৰ স্থানৰ খেলুৱৈ তথা কমনৱেলথ গেমছত দুবাৰকৈ পদক বিজয়ী স্ক'টলেণ্ডৰ কিৰ্ষ্টি গিল্মৰক ১০-২১, ২১-১৫, ২১-১০ গেমত পৰাস্ত কৰে। ছেমি ফাইনেলত মালবিকা জাপানৰ নাট্চুকী নিদাইৰাৰ সন্মুখীন হ'ব।

ভাৰতৰ আন এগৰাকী খেলুৱৈ প্ৰিয়াংশু ৰাজাৱট পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত চীনৰ লেই লেন শ্বিৰ হাতত ২১-১৫, ১১-২১, ১৮-২১ গেমত পৰাভূত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। ত্ৰিষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটোও জাপানৰ য়ুনাকাট' আৰু ৰুই হিৰোকামীৰ হাতত পৰাজিত হৈছে।

oooooo

ভাৰত, ইণ্ডোনেছিয়াৰ য়োগ্যকৰ্টাত অনুষ্ঠিত বেডমিণ্টন এছীয়া জুনিয়ৰ মিক্সড টীম চেম্পিয়নশ্বিপৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰি-কোৱাৰ্টাৰ খেলত ভাৰতে ফিলিপাইনছক ৩-২ ফলাফলত পৰাজিত কৰে। আজি ভাৰতে আয়োজক দেশ ইণ্ডোনেচিয়াৰ বিৰুদ্ধে খেলিব। পৰহি অনুষ্ঠিত গ্ৰুপ-চিৰ উদ্বোধনী খেলখনত ভিয়েটনামাক ৫-০ ফলাফলত পৰাজিত কৰি ভাৰতে নিজৰ অভিযান আৰম্ভ কৰে।

ইপিনে, ইণ্ডোনেছিয়াইয়ো গ্ৰুপৰ খেলত ফিলিপাইনছৰ বিৰুদ্ধে ৫-০ আৰু ভিয়েটনামৰ বিৰুদ্ধে ৪-১ ফলাফলত জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

oooooo

সুদীৰ্ঘ ১৭ বছৰ পাছত টি-২০ বিশ্বকাপৰ শ্বাসৰুদ্ধকাৰী ফাইনেলত দক্ষিণ আফ্ৰিকাক হৰুৱাই ভাৰত চেম্পিয়ন, গুৱাহাটী বিশ্ববিদ্যালয়ত নম্বৰ জালিয়াতি, লাডাখৰ ভাৰত-চীন সীমান্তত সংঘটিত ভয়ংকৰ দুৰ্ঘটনাত ভাৰতীয় সেনাৰ ৫ জন জোৱানৰ সলিল সমাধি আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

সুদীৰ্ঘ ১৭ বছৰীয়া প্ৰতীক্ষাৰ অন্ত পেলাই ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে টি-২০ বিশ্বকাপৰ খিতাপ জয় কৰে। কালিৰ ৰোমাঞ্চকৰ ফাইনেলত ভাৰতে কোহলি, অক্ষৰ পেটেলৰ চমকপ্ৰদ বেটিং, বুমৰাহ, অৰ্শ্বদীপ, হাৰ্ডিকৰ দুৰ্দান্ত বলিঙেৰে দক্ষিণ আফ্ৰিকাক ৭ ৰানত পৰাস্ত কৰে। এই বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন কাকতেই প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া খবৰ কাকতে ভাৰতৰ শ্বাসৰুদ্ধকৰ বিশ্ববিজয়, নিয়মীয়া বাৰ্তা কাকতে স্বপ্ন পূৰণ, আমি বিশ্ববিজয়ী, দৈনিক অগ্ৰদূত কাকতে অন্তিম মুহূৰ্তত বহুকাংক্ষিত বিশ্বজয়, দি আছাম ট্ৰিবিউন কাকতে INDIA T20 WORLD CHAMPIONS AGAIAN শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি প্ৰকাশ কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ত সংঘটিত স্নাতক পৰীক্ষাত নম্বৰ জালিয়াতিত জড়িত থকাৰ অভিযোগত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগ আৰু বৰপেটাৰোড আৰক্ষীয়ে ৯ জন লোকক আটক কৰি সোধ-পোছ অব্যাহত ৰাখিছে। এই বাতৰিটো আজি অসমীয়া প্ৰতিদিন কাকতে **গুৱাহাটী বিশ্ববিদ্যালয়ত নম্বৰ ছিণ্ডিকেট** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

লাডাখৰ ভাৰত-চীন সীমান্তত সংঘটিত এটা ভয়ংকৰ দুৰ্ঘটনাত ভাৰতীয় সেনাৰ ৫ জন জোৱানৰ মৃত্যু হয়। আচম্বিতে অহা পাহাৰীয়া নদীৰ বানে টেংকসহ জোৱানকেইজনক উটুৱাই লৈ যায়। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চৰকাৰে অসমৰ বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তন কৰাৰ পাছত ৰাজ্যৰ দল-সংগঠনসমূহৰ অধিকাংশই মৌন হৈ থকাৰ সময়তে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে বিহাৰক বিশেষ ৰাজ্যৰ মৰ্যাদা দিবলৈ দাবী কৰা বিষয়টোৱে তাৎপৰ্য বহন কৰিছে। উল্লেখযোগ্য যে, ১৯৬৯ চনৰ পৰা অসম চৰকাৰে পাই অহা বিশেষ ৰাজ্যৰ মৰ্যাদা হেৰুওৱাৰ পৰিণতিত ৰাজ্যত বিভিন্ন সমস্যা সৃষ্টি হৈছে। দৈনিক অসম কাকতে এই বাতৰিটো **কেতিয়া সৰৱ হ'ব অসম চৰকাৰ** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যৰ ২৮ লাখৰো অধিক শিক্ষিত নিবনুৱাই ৰাজ্যখনৰ অৰ্থনীতিলৈ প্ৰত্যাহ্বান কঢ়িয়াই আনিছে এই সম্পৰ্কীয় এটা বাতৰি দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – গ্ৰীষ্মবন্ধৰ সময়ত শিক্ষকৰ প্ৰশিক্ষণ কাৰ্যসূচী স্থগিত,

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত